# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-08-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। ৰাজ্যৰ ১৯ খন জিলাৰ ১৬১ খন প্ৰাথমিক বিদ্যালয় একত্ৰিকৰণৰ নিৰ্দেশ শিক্ষা বিভাগৰ।

২। সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষা প্ৰ-পত্ৰ পূৰণৰ ক্ষেত্ৰত আধাৰ নম্বৰৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয়ে বিদ্যালয়ে ছেৱাৰ আধাৰ শিবিৰ।

৩। সাগৰমালা আঁচনিৰ অধীনত গুৱাহাটীৰ ৬টা পৰ্যটনস্থলীক সামৰি নদী পৰ্যটনত অভিলাষী আঁচনি গ্ৰহণ ৰাজ্য চৰকাৰৰ। ঐতিহাসিক চাহ বাগিচা সংৰক্ষণ কৰিও পৰ্যটনস্থলীলৈ ৰূপান্তৰৰ লক্ষ্য।

৪। অসমকে ধৰি দেশৰ উত্তৰ-পূব আৰু মধ্য ভাৰতত অহা দুদিনলৈ প্ৰবল বৃষ্টিপাতৰ আগলি বতৰা ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ।

**আৰু**

৫। চীনৰ চেংদুত হ'বলগীয়া ১৫ আৰু ১৭ বছৰৰ অনুৰ্ধৰ জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ বাবে ভাৰতীয় বেডমিণ্টন সংস্থাৰ ৩৯ জনীয়া দল প্ৰেৰণ। ০০০০০০

০০০০০০

ৰাজ্যৰ ১৯ খন জিলাৰ ১৬১ খন প্ৰাথমিক বিদ্যালয় একত্ৰিকৰণ কৰিবলৈ ৰাজ্য চৰকাৰে নিৰ্দেশ দিছে। ইয়াৰ পূৰ্বে ২০২৩ বৰ্ষত ৰাজ্যৰ ৮ হাজাৰ ৬৬ খন প্ৰাথমিক বিদ্যালয় আন বিদ্যালয়ৰ লগত চামিল কৰা হৈছে। ৰাজ্য চৰকাৰৰ শিক্ষা ক্ষেত্ৰ আঁচনিৰ অধীনত প্ৰাথমিক বিদ্যালয়ৰ একত্ৰিকৰণ প্ৰক্ৰিয়া সম্পন্ন কৰা হৈছে। এইবাৰ মাজুলী জিলাৰ ৩১ খন প্ৰাথমিক বিদ্যালয় আন বিদ্যালয়ৰ লগত চামিল কৰা হয়। ইয়াৰ উপৰি কৰিমগঞ্জ আৰু লখিমপুৰত ১৯ খনকৈ, বঙাইগাঁৱত ১৪ খন, হাইলাকান্দিত ১০ খন, কাছাৰত ৯ খন, শিৱসাগৰত ৮ খন, নগাঁৱত আৰু যোৰহাটত ৭ খনকৈ, বৰপেটা আৰু নলবাৰীত ৬ খনকৈ, তিনিচুকীয়া, ডিব্ৰুগড় আৰু কামৰূপত ৪ খনকৈ, শোণিতপুৰ, গোৱালপাৰা আৰু মৰিগাঁৱত ৩ খনকৈ প্ৰাথমিক বিদ্যালয় আন বিদ্যালয়ৰ সৈতে চামিল কৰা হয়।

০০০০০০

ৰাজ্য চৰকাৰে আবকাৰী নীতি সলনি কৰাৰ পাছত অভিলেখ পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। আবকাৰী ৰাজহ সংগ্ৰহৰ বাবে ৰাজ্য চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া লক্ষ্যক অতিক্ৰম কৰি ২০২৩-২৪ বৰ্ষত ৩ হাজাৰ ১৩৮ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিছে। ২০২৩-২৪ বৰ্ষত আবকাৰী বিভাগৰ ৰাজহ সংগ্ৰহৰ প্ৰাৰম্ভিক লক্ষ্য আছিল ৩ হাজাৰ কোটি টকা। এই লক্ষ্য ২০২৩-২৪ বৰ্ষত বিভাগটোৱে অতিক্ৰম কৰিছে। কাৰ্যতঃ আবকাৰী বিভাগে নিৰ্ধাৰিত লক্ষ্যতকৈ ১০৪ দশমিক ৬-২ শতাংশ অতিৰিক্ত ৰাজহ সংগ্ৰহ কৰিছে। শেহতীয়াকৈ ৰাজ্য চৰকাৰে আবকাৰী নীতিৰ কিছু সালসলনি ঘটোৱাৰ লগতে অবৈধ সুৰাৰ বিৰুদ্ধে গ্ৰহণ কৰা কঠোৰ স্থিতিৰ বাবে

আবকাৰী বিভাগে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত এই সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। আবকাৰী বিভাগৰ তথ্য অনুসৰি বিভাগটোৱে সংগ্ৰহ কৰা ৰাজহ ৰাজ্যৰ মুঠ ৰাজহৰ ১৫ দশমিক ৯-০ শতাংশ। বিগত বৰ্ষত ৰাজ্যৰ মুঠ ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত আবকাৰী বিভাগৰ অৱদান আছিল ১৪ দশমিক ৩-২ শতাংশ। বিভাগটোৱে ২০২৪-২৫ বিত্তীয় বৰ্ষত ৪ হাজাৰ ১০০ কোটি টকাৰ ৰাজহ সংগ্ৰহৰ লক্ষ্য ধাৰ্য কৰিছে। এই লক্ষ্য পূৰ্বৰ বৰ্ষৰ তুলনাত ৩০ শতাংশ অধিক।

০০০০০০

NEET, JEE, CUET -কে ধৰি বিভিন্ন ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ সময়ত আধাৰ নম্বৰৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি অসম মাধ্যমিক শিক্ষা পৰিষদে বিদ্যালয়সমূহত বায়'মেট্ৰিক আপডেটৰ বাবে আধাৰ শিবিৰ মুকলি কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই সন্দৰ্ভত পৰিষদৰ সচিবে বিদ্যালয়সমূহৰ অধ্যক্ষ আৰু প্ৰধান শিক্ষকসকললৈ জাৰি কৰা নিৰ্দেশ অনুসৰি বিদ্যালয়সমূহক ৫ বছৰৰ পৰা ৭ বছৰ আৰু ১৫ বছৰৰ পৰা ১৭ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, আধাৰ শিবিৰ স্থাপনৰ বাবে উপযুক্ত সময়সহ অন্যান্য যাৱতীয় তথ্য ১০ ছেপ্তেম্বৰৰ ভিতৰত দাখিল কৰিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত ছাত্ৰ-ছাত্ৰীসকলে প্ৰ-পত্ৰ পূৰণৰ ক্ষেত্ৰত অনুভৱ কৰা জটিলতা দূৰ কৰিবৰ বাবে দেশজুৰি বিদ্যালয়সমূহত আধাৰশিবিৰ স্থাপন কৰি বায়'মেট্ৰিক আপডেট কৰাৰ লগতে ম'বাইল নম্বৰ সংযোগৰ ব্যৱস্থাৰ কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে কৈছে যে দেশত বৰ্তমানলৈকে মাংকিপক্সত আক্ৰান্ত কোনো ৰোগী চিনাক্ত হোৱা নাই। বিশ্ব স্বাস্থ্য সংস্থাই মাংকিপক্সক আন্তৰাষ্ট্ৰীয় স্বাস্থ্যজনিত জৰুৰী অৱস্থাৰূপে ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই কালি নতুন দিল্লীত আয়োজিত এখন বৈঠকত মাংকিপক্সৰ স্থিতি আৰু প্ৰস্তুতি সম্পৰ্কে পৰ্যালোচনা চলায়। বৈঠকত এই বুলি কোৱা হয় যে, মাংকিপক্সৰ সংক্ৰমণ সাধাৰণতে দুইৰ পৰা চাৰি সপ্তাহৰ ভিতৰত নিজে নিজে নোহোৱা হয় আৰু ৰোগীসকলে সহায়ক ব্যৱস্থাপনাৰ জৰিয়তে সুস্থ হৈ উঠে। মন্ত্ৰালয়ে কৈছে যে, সংক্ৰমিত ৰোগীৰ নিকট সংস্পৰ্শ আহিলে বা যৌন সম্পৰ্কৰ দ্বাৰা এই ৰোগ বিয়পে। সংক্ৰমিত ৰোগীৰ কাপোৰ-কানিৰ সংস্পৰ্শলৈ আহিলেও এই ৰোগ বিয়পিব পাৰে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। বৈঠকত ৰোগবিধৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণৰ বাবে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱা হয়। ইয়াৰ ভিতৰত কোনো ৰোগী চিনাক্ত হ'লে সকলো বিমান বন্দৰ, বন্দৰ আৰু প্ৰৱেশপথত স্বাস্থ্য গোটসমূহৰ সংবেদনশীলকৰণ, পৰীক্ষাগাৰসমূহক সাজু কৰি তোলা আৰু প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণৰ বাবে স্বাস্থ্য সুবিধাসমূহ সাজু কৰি ৰখা অন্যতম। পৰিস্থিতিৰ পৰ্যালোচনাৰ বাবে স্বাস্থ্য সেৱাৰ সঞ্চালক প্ৰধানৰ অধ্যক্ষতাত পৰহি বিশেষজ্ঞসকলৰ যুটীয়া নিৰীক্ষণ গোটৰ এখন বৈঠক অনুষ্ঠিত হোৱা বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে। স্বাস্থ্য মন্ত্ৰালয়ে পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে।

০০০০০০

অসমৰ নদী পৰ্যটনৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে এলানী অভিলাষী আঁচনি গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰে গুৱাহাটীৰ ৬টা পৰ্যটনস্থলীক সামৰি নদী পৰ্যটন আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। পৰ্যটন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এখন সংবাদমেলত গুৱাহাটীৰ উমানন্দ, অশ্বক্লান্ত, কামাখ্যা মন্দিৰকে ধৰি আন তিনি তীৰ্থস্থানক

সামৰি এই নদী পৰ্যটন গঢ়ি তুলিব বুলি প্ৰকাশ কৰে। ইতিমধ্যে সাগৰমালা লিমিটেডৰ সৈতে ৰাজ্য চৰকাৰে এখন চুক্তিও স্বাক্ষৰ কৰিছে।

০০০০০০

কৰিমগঞ্জ আৰক্ষীয়ে জিলাখনৰ বজৰিচৰা ধেংগাৰবন গাঁৱত অভিযান চলাই কালি ২০ হাজাৰ নিচাযুক্ত টেবলেট জব্দ কৰিছে। এই টেবলেটসমূহৰ বজাৰমূল্য এক কোটি টকা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। বজৰিচৰা আৰক্ষী থানাৰ এটা দলে গোপন তথ্যৰ ভিত্তিত অভিযান চলাই গাঁওখনৰ আবুল হুছেইন নামৰ এজন যুৱকৰ পৰা লুকুৱাই থোৱা অৱস্থাত এই বেটলেটসমূহ জব্দ কৰে।  আৰক্ষীয়ে অভিযুক্তৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

আজিৰে পৰা পবিত্ৰ ভাদ মাহ। অসমীয়া সমাজত পবিত্ৰ মাহ হিচাপে পৰিগণিত ভাদ মাহৰ পহিলা দিনটোত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ আৰু নামঘৰসমূহ ভকত-বৈষ্ণৱ আৰু আয়তীসকলৰ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে। ভাদ মাহক কেন্দ্ৰ কৰি ৰাজ্যজুৰি সৃষ্টি হোৱা আধ্যাত্মিক পৰিৱেশে অসমৰ সাতামপুৰুষীয়া সম্প্ৰীতিৰ বান্ধোন অধিক শক্তিশালী কৰি তুলিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ পূণ্য তিথি আৰু শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ এই মাহটোক অসমবাসীয়ে অত্যন্ত পবিত্ৰ মাহ হিচাপে গণ্য কৰে। মাহজুৰি ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহ নাম প্ৰসংগ অনুষ্ঠিত হ'ব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি বটদ্ৰৱা থানত ভাদ মাহ উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২০ আগষ্ট পৰ্যন্ত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায়বোৰ ৰাজ্যতে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। উত্তৰ-পশ্চিম বংগোপ সাগৰত সৃষ্টি হোৱা নিম্নচাপ বলয় উত্তৰ, উত্তৰ-পশ্চিম দিশে অগ্ৰসৰ হোৱা আৰু কাইলৈৰ ভিতৰত বাংলাদেশ আৰু পশ্চিমবংগৰ গংগা নৈৰ পাৰৰ এলেকাসমূহত গভীৰ নিম্নচাপলৈ ৰূপান্তৰ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

ফলস্বৰূপে পৰৱৰ্তী ২-৩ দিনত দেশৰ পূব আৰু মধ্য ভাগত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি বিভাগটোৱে আগলি বতৰা দিছে। ইয়াৰ প্ৰভাৱত ২০ আগষ্ট পৰ্যন্ত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, ছিকিম, ওড়িশা, ঝাৰখণ্ড আৰু পশ্চিমবংগৰ হিমালয় তথা গংগা নৈৰ কাষৰীয়া এলেকাসমূহত বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

oooooo

মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত আজি মায়ং মহাবিদ্যালয় খেলপথাৰত প্ৰথমবাৰৰ বাবে মায়ং ইন্দ্ৰজাল যাদু মহোৎসৱ অনুষ্ঠিত হ'ব। ইতিহাস প্ৰসিদ্ধ মায়ঙত পৰ্যটনৰ প্ৰসাৰ ঘটোৱাৰ লক্ষ্যৰে আয়োজন কৰা এই যাদু মহোৎসৱ সাংস্কৃতিক শোভাযাত্ৰাৰে শুভাৰম্ভ কৰা হ'ব। শোভাযাত্ৰাত অঞ্চলটোৰ যাদু সংস্কৃতি আৰু স্থানীয় কলা সংস্কৃতিৰ নিদৰ্শন দাঙি ধৰা হ'ব বুলি জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই জানিবলৈ দিয়ে। কাৰ্যসূচীৰ অংশ হিচাপে মায়ঙৰ যাদু শীৰ্ষক এখন আলোকচিত্ৰ প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। প্ৰস্তুতি বৰ্ষ হিচাপে এইবাৰ এদিনীয়া কাৰ্যসূচীৰে এই মহোৎসৱৰ উদযাপন কৰা হ'ব যদিও পৰৱৰ্তী বৰ্ষসমূহত দেশৰ বিভিন্ন প্ৰান্তৰ যাদুকৰক একত্ৰিত কৰি সপ্তাহজোৰা বিস্তৃত কাৰ্যসূচীৰে এই উৎসৱৰ উদযাপনৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ দ্বাৰা পবিতৰা অভয়াৰণ্যৰ লগতে জিলাখনৰ অন্যান্য পৰ্যটন ক্ষেত্ৰসমূহক বিশ্ব পৰ্যটনৰ মানচিত্ৰত মৰ্যাদাপূৰ্ণ স্থান দিয়াৰ উপৰি জিলাখনলৈ পৰ্যটকৰ সংখ্যা বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। যাদুবিদ্যা কেন্দ্ৰ কৰি মায়ঙত উদযাপন কৰিবলৈ লোৱা এই উৎসৱ দেশৰ ভিতৰতে প্ৰথম যাদুকেন্দ্ৰিক পৰ্যটন উৎসৱ হিচাপে পৰিগণিত হৈছে।

oooooo

ৰাজ্যত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীনৰ অধীনত এতিয়ালৈকে  ১৯ লাখ পকীঘৰ নিৰ্মাণ কৰা হৈছে। এই যোজনাৰ অধীনত অসমে এতিয়ালৈকে ২০ লাখৰো অধিক পকীঘৰৰ অনুমোদন লাভ কৰিছে।  পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে জনকল্যাণক অগ্ৰাধিকাৰ দি এনে আঁচনিৰ জৰিয়তে ক্ষিপ্ৰ উন্নয়ন সম্ভৱ কৰি তোলাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনাইছে।

oooooo

ৰাজ্য চৰকাৰে ই-শ্ৰমত পঞ্জীয়নভুক্ত অসংগঠিত খণ্ডৰ কোনো শ্ৰমিকৰ দুৰ্ঘটনাত মৃত্যু বা অংগক্ষত হ'লে তেনে শ্ৰমিকলৈ আৰ্থিক সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত লৈছে। ২০২১ চনৰ ২৬ আগষ্টৰ পৰা ২০২২ চনৰ ৩১ মাৰ্চৰ ভিতৰত ই-শ্ৰমত পঞ্জীয়নভুক্ত শ্ৰমিকৰ ২০২২ চনৰ ৩১ মাৰ্চ বা তাৰ পূৰ্বে কোনো দুৰ্ঘটনাত মৃত্যু বা অংগক্ষত হ'লে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। দুৰ্ঘটনাত মৃত্যু হোৱা শ্ৰমিকলৈ দুই লাখ টকাকৈ আগবঢ়োৱাৰ লগতে দুয়োটা চকু বা দুয়োখন হাত অথবা দুয়োটা ভৰি নষ্ট হোৱা শ্ৰমিকলৈ ২ লাখ টকাকৈ সাহায্য আগবঢ়োৱা হ'ব। আনহাতে এটা চকু, এখন হাত অথবা এটা ভৰি নষ্ট হোৱা শ্ৰমিকলৈ এক লাখ টকাকৈ আগবঢ়োৱা হ'ব। এই সাহায্য লাভৰ অৰ্থে আবেদনৰ বাবে শ্ৰমিক অথবা তেওঁৰ আইনী উত্তৰাধিকাৰীয়ে জিলা আয়ুক্ত কাৰ্যালয় বা সমীপৰ শ্ৰম কল্যাণ বিভাগৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিব লাগিব।

oooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নাট শাখাৰ কণ্ঠস্বৰ পৰীক্ষা অৰ্থাৎ অডিচনৰ বাবে নিৰ্দিষ্ট কৰা দিনৰ সালসলনি ঘটোৱা হৈছে। নাট শাখাৰ পৰা জনোৱা মতে অনিবাৰ্য কাৰণবশতঃ পূৰ্ব ঘোষিত কণ্ঠস্বৰ পৰীক্ষাৰ সূচী নতুনকৈ ঘোষণা কৰা হৈছে। নতুন তাৰিখ অনুসৰি অহা ৩ ছেপ্তেম্বৰৰ পৰা ২০ ছেপ্তেম্বৰলৈকে এই অ'ডিচন সম্পন্ন হ'ব।

নতুনকৈ আবেদন কৰা শিশু শিল্পী আৰু বি-গ্ৰেডৰ উপৰি বি-হাইগ্ৰেডৰ বাবেও একেলগে অডিচন সম্পন্ন হ'ব। প্ৰাৰ্থীসকললৈ কণ্ঠস্বৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাক যোগে পঠিওৱা হ'ব আৰু প্ৰত্যেককে ম'বাইলত অডিচনৰ তাৰিখ আৰু সময় সম্পৰ্কে বাৰ্তা প্ৰেৰণ কৰা হ'ব। যদি আবেদন কৰা কোনো প্ৰাৰ্থীয়ে এই দুয়োটা মাধ্যমৰ এটাৰ জৰিয়তেও নিজৰ কণ্ঠস্বৰ পৰীক্ষাৰ দিন-সময় সম্পৰ্কে অৱগত নহয় তেন্তে তেওঁলোকে অহা ২০ আগষ্টৰ পাছত ৯৪০১০-৮৩০১৮ নম্বৰত হোৱাটছ্-এপ যোগে যোগাযোগ কৰিব পাৰিব। পৰীক্ষাত উত্তীৰ্ণ হৈ কেন্দ্ৰটোৰ নাট শাখাৰ অভিনয় শিল্পীৰ স্বীকৃতি পোৱাসকলৰ তালিকা ২৪ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাত প্ৰকাশ কৰা হ'ব।

০০০০০০

ভাৰতীয় চিকিৎসা সংস্থাই কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ ঘটনা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এখন পত্ৰ লিখিছে আৰু স্বাস্থ্য কৰ্মীৰ বিৰুদ্ধে সংঘটিত হিংসা নিয়ন্ত্ৰণ কৰাৰ বাবে এখন কেন্দ্ৰীয় আইন প্ৰণয়নৰ ক্ষেত্ৰত তেওঁৰ হস্তক্ষেপ বিচাৰিছে। চিকিৎসা সংস্থাই লগতে চিকিৎসালয়সমূহত বিমান বন্দৰৰ দৰে সুৰক্ষাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে। প্ৰধানমন্ত্ৰীলৈ লিখা পত্ৰখনত চিকিৎসালয়ত সংঘটিত অপৰাধৰ তদন্ত নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ হ'ব লাগে আৰু শোকসন্তপ্ত পৰিয়ালক শীঘ্ৰে ন্যায় প্ৰদান কৰিব লাগে বুলি উল্লেখ কৰা হৈছে। সংস্থাই লগতে চিকিৎসকসকলৰ বাবে কৰ্মস্থলীত উন্নত বাতাবৰণৰ হকে দাবী জনাইছে।

০০০০০০

ভাৰতীয় বেডমিণ্টন সংস্থাই মঙলবাৰে চীনৰ চেংদুত আৰম্ভ হ'বলগীয়া ১৫ আৰু ১৭ বছৰৰ অনুৰ্ধৰ জুনিয়ৰ চেম্পিয়নশ্বিপৰ বাবে এটা ৩৯ জনীয়া দল প্ৰেৰণ কৰিছে। জ্ঞান দত্তু আৰু তনৱি ৰেড্ডীয়ে ১৭ বছৰ অনুৰ্ধৰ দলটোৰ নেতৃত্ব বহন কৰাৰ বিপৰীতে শ্যাম বিন্দিগনৱিলে আৰু তন্‌ৱি পত্ৰিয়ে ১৫ বছৰ অনুৰ্ধৰ দলটোৰ নেতৃত্ব বহন কৰিব। ছাইনা মণিমুতুই ১৭ বছৰ অনুৰ্ধৰ ছিংগলছৰ উপৰি এক্যা ছেট্টীৰ সৈতে ডাবলছতো অংশগ্ৰহণ কৰিব। চীনত অনুষ্ঠিত যোৱাবাৰৰ সংস্কৰণত ভাৰতে এটা সোণ, এটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছিল। বৰ্ণিল চাংমাই ল'ৰাল ১৭ বছৰ অনুৰ্ধৰ শাখাত সোণৰ পদক অৰ্জন কৰিছিল। উল্লেখযোগ্য যে, ভাৰতে অহা বছৰ জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপৰ আয়োজন কৰিব।

০০০০০০

সমগ্ৰ দেশৰ লগতে অসমতো চিকিৎসকৰ প্ৰতিবাদ, ৰাজ্যত নতুনকৈ ১৬১ খন বিদ্যালয় বন্ধৰ নিৰ্দেশনা, আলু-পিয়াজকে ধৰি অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ মূল্য বৃদ্ধি আদি বিভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰধান বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

কলকাতাৰ এগৰাকী কনিষ্ঠ চিকিৎসকক ধৰ্ষণ কৰি হত্যাৰ পিছত সমগ্ৰ দেশজুৰি চিকিৎসকৰ প্ৰতিবাদ অব্যাহত আছে। অসমতো চিকিৎসকসকলে প্ৰতিবাদ অব্যাহত ৰাখিছে। চিকিৎসকৰ প্ৰতিবাদৰ এই বাতৰিটো আজি কেইবাখনো কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**আমাৰ অসম** কাকতে এই বাতৰিটো কলকাতাৰ আৰ জি কৰ হাস্পতালৰ তৰুণী চিকিৎসকক ধৰ্ষণ হত্যাক লৈ ব্যাপক প্ৰতিবাদ ঃ ধৰ্ণাত চিকিৎসক, ৰোগীৰ হাহাকাৰ শিৰোনামেৰে আৰু নিয়মীয়া বাৰ্তা কাকতে চিকিৎসক-চিকিৎসাকৰ্মীৰ কৰ্মবিৰতিত দেশত স্তব্ধ স্বাস্থ্য সেৱা শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতেও একেটা বাতৰিকে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰৰ স্থান দিছে।

**দি আছাম ট্ৰিবিউন** আৰু **অসমীয়া খবৰ** কাকতেও চিকিৎসকৰ প্ৰতিবাদৰ বাতৰিটো প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**দৈনিক অসম** কাককেত এই বাতৰিটোৰ সমান্তৰালকৈ ৰাজ্যত কৃষি আৰু কৃষকক উপেক্ষা কৰাৰ সন্দৰ্ভত প্ৰস্তুত কৰা এটা বাতৰি প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে। বাতৰিটোৰ শিৰোনাম ২৩ বিধ কৃষিজাত সামগ্ৰী ক্ৰয় কৰিবলৈ হাৰিয়ানা চৰকাৰৰ ঐতিহাসিক সিদ্ধান্ত, অসমত মাথো দুবিধ ক্ৰয় ঃ ৰাজ্যত এলাগি কৃষি, উপেক্ষিত কৃষক।

**অসমীয়া প্ৰতিদিন** কাকতে অসম চাহ নিগমৰ বিত্তীয় সংকট আৰু অব্যৱস্থা সন্দৰ্ভত প্ৰস্তুত কৰা এটা বিতং বাতৰি প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম চৰম অব্যৱস্থাৰ পৰিণতিত ভয়ংকৰ সংকট অসম চাহ নিগম ঃ লীজত দিয়া ১২ বাগিচাৰ ওভতাই দিলে ৬খন।

**দ্যা ছেণ্টিনেল** আৰু **দৈনিক জনমভূমি** কাকতে শিক্ষা বিভাগে ৰাজ্যৰ ১৬১ খন প্ৰাথমিক বিদ্যালয় একত্ৰিকৰণ কৰাৰ সন্দৰ্ভত গ্ৰহণ কৰা সিদ্ধান্তক লৈ প্ৰস্তুত কৰা এটা বাতৰি ভিন্ন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – শিৱসাগৰত উজনিৰ তিনি জিলাৰ এছ্ পি অ'চিৰে ৰুদ্ধদ্বাৰ বৈঠক, ৰাজ্যত কংগ্ৰেছক সন্মুখৰ পৰা নেতৃত্ব দিব গৌৰৱ গগৈয়ে, গুৱাহাটীমুখী বিমানত তেজষ্ক্ৰীয় সামগ্ৰী ঃ কেইবাজনো অচেতন ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰধান বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত